# এখন শুদ্ধ নাগৰিকপঞ্জী অসমৰ সাংবিধানিক অধিকাৰ

**তৰুণ চন্দ্ৰ ভট্টাচাৰ্য**

সম্প্ৰতি অসমত ভাৰতীয় জনতা পাৰ্টিৰ চৰকাৰ শাসনত অধিষ্ঠিত হোৱাৰ পাছত, ৰাজ্যখনত এখন শুদ্ধ নাগৰিকপঞ্জী প্ৰস্তুত কৰা অসম চুক্তিৰ ৬ নম্বৰ দফা ৰূপায়ণৰ বিষয়টো আকৌ সংবাদ মাধ্যমৰ আলোচনাৰ মাজলৈ আহিছে। প্ৰান্তিকৰ ১-১৫ অক্টোবৰ, ২০২০ সংখ্যাত অসম চুক্তিৰ সম্বন্ধে এটা চুটি প্ৰবন্ধও প্ৰকাশ কৰা হৈছে।

আৰম্ভণিতে উল্লেখনীয় যে মানৰ আক্ৰমণত বিধ্বস্ত হোৱা অসমত আহোম ৰাজত্বৰ অন্ত পৰে ইয়াণ্ডাবু সন্ধিৰ যোগেদি। ব্ৰহ্মদেশৰ আভা ৰাজ্যৰ ৰজাই ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰি তাৰিখে এই সন্ধিৰ যোগেদি আহোমৰ ৰাজ্য ইষ্ট-ইণ্ডিয়া কোম্পানিক হস্তান্তৰ কৰে।[১]

এই সময়ত মান ৰজাৰ সেনাপতি আছিল মিংগিমাহা বন্দুলা। কিন্তু ইতিমধ্যে অসমৰ ভিতৰত ব্ৰহ্মপুত্ৰ উপত্যকাত ৰাজত্ব কৰা আহোমৰ শাসন পদ্ধতিৰ গুৰি ধৰোঁতা গোহাঁইসকল অবিৰতভাৱে দীৰ্ঘকাল মান সৈন্যৰ লগত যুদ্ধ কৰি মৃত্যুমুখত পৰে।

ইষ্ট ইণ্ডিয়া কোম্পানিৰ দখললৈ অহা গুৱাহাটীৰ এখন মানচিত্ৰ প্ৰান্তিকৰ ১-১৫ জুন, ২০০২ চনৰ সংখ্যাত প্ৰকাশ পাইছে। প্ৰবন্ধটোৰ শিৰোনাম "গুৱাহাটীৰ পৰিৱেশৰ অৱক্ষয় আৰু বানপানী।" মানচিত্ৰখনৰ শিৰোনাম—"Survey of Gwahatty in Assam". এই দুৰ্লভ মানচিত্ৰখন অমলেন্দু গুহই ব্ৰিটিছ মিউজিয়ামৰ পৰা সংগ্ৰহ কৰিছিল।

আহোম ৰজাৰ উত্তৰাধিকাৰী হিচাপে ইংৰাজৰ অধিকাৰলৈ অহা ব্ৰহ্মপুত্ৰ উপত্যকাক কিছুমান জিলাত (District) বিভক্ত কৰা হৈছিল। সেই সময়ত এই জিলাবোৰৰ শাসনত নিযুক্ত হৈছিল ইংৰাজৰ বিষয়া কমিছনাৰ বি ছি এলেন (B.C. Allen)। এই জিলাবোৰৰ সম্বন্ধে বিভিন্ন তথ্য জিলাখনৰ গেজেটিয়াৰত লিপিবদ্ধ কৰা হৈছিল। বি ছি এলেনে এনেকুৱা ১১খন কিতাপ (গেজেটিয়াৰ) সংকলন কৰি থৈ গৈছে। চানেকি হিচাপে ইয়াৰে এখনৰ উদাহৰণ দিয়া হ'ল।

Assam District Gazeteers, Vol III, Goalpara—B.C. Allen C.S.

Contents : Physical aspects, History, The people, Agriculture and Forests, Arts and Industries, Economic condition of the people, General Administration,

[Received from : Central Secretariat Library, Govt. of India, Calcutta]

১৮৩০ চনত অসমৰ ভিতৰত ব্ৰহ্মপুত্ৰ উপত্যকা ইংৰাজৰ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হয়। ১৮৭৪ চনত অসমৰ মুখ্য শাসনকৰ্তা হয় এজন ছিফ কমিছনাৰ; এওঁৰ ৰাজধানী হয় শ্বিলং।

এই গেজেটিয়াৰবিলাকত লিপিবদ্ধ কৰা তথ্যৰ মতে সেই সময়ত ব্ৰহ্মপুত্ৰৰ চৰ-চাপৰি বিলাকত শীতকালত দুই-চাৰিজন ম'হ চৰোৱা লোককহে দেখা পোৱা গৈছিল। কিন্তু বাৰিষা অহাৰ লগে লগে এই চৰ-চাপৰিবিলাক হৈ পৰিছিল জনশূন্য। এতিয়া এইবোৰত লাখ লাখ মানুহৰ বসতি। ইংৰাজে ধাৰ্য কৰা নামমাত্ৰ খাজনা দিবলৈও সেই সময়ত এওঁলোক অপাৰগ আছিল।

ইয়াৰ পাছৰ কালত ১৯৭০ চনত পাকিস্তানী সৈন্যৰ দ্বাৰা তেতিয়াৰ পূব-পাকিস্তানত (এতিয়াৰ বাংলাদেশ) চলোৱা অত্যাচাৰৰ হাত সাৰিবলৈ সেইখন দেশৰ পৰা কোটিৰ ঘৰত লোক প্ৰাণ ৰক্ষা কৰিবলৈ উত্তৰ-পূব ভাৰতলৈ আৰু পশ্চিমবংগলৈ পলাই আহিছিল। ইয়াৰ বিৱৰণ প্ৰান্তিকৰ ১-১৫ ডিচেম্বৰ, ২০১৯ সংখ্যাত প্ৰকাশ পাইছে। প্ৰবন্ধটোৰ শিৰোনাম—'ধৰ্ম আৰু ইতিহাসৰ পটভূমিত অসমৰ নাগৰিকপঞ্জীৰ গ্ৰহণযোগ্যতা...।'

নিজৰ নিৰাপত্তা আৰু অস্তিত্ব ৰক্ষাৰ কাৰণে স্বাভাৱিকতেই এওঁলোক অসমৰ শাসনাধিষ্ঠিত দলটোৰ সমৰ্থক হৈ পৰিল। এই দলটোৱেও এওঁলোকৰ সমৰ্থন যুগমীয়া কৰিবলৈ এখন আইন গৃহীত কৰিলে। এইখনেই হ'ল বহু চৰ্চিত "Illegal Migrants (Determination by Tribunals) Act, 1983"; সংক্ষেপে আই এম ডি টি আইন, ১৯৮৩।

এই কুখ্যাত আইনখনৰ বিৰুদ্ধে সেই সময়ৰ ছাত্ৰ সন্থাৰ নেতা (আৰু পাছলৈ অসমৰ মুখ্যমন্ত্ৰী) সৰ্বানন্দ সোণোৱালে উচ্চতম ন্যায়ালয়ত এটা গোচৰ তৰিলে। এই গোচৰৰ বিচাৰ কৰিছিল উচ্চতম ন্যায়ালয়ৰ এখন খণ্ডপীঠে; ইয়াৰ তিনিগৰাকী ন্যায়াধীশ আছিল মুখ্য ন্যায়াধীশ আৰ ছি লাহতী, ন্যায়াধীশ জি পি মাথুৰ আৰু ন্যায়াধীশ পি কে বালসুব্ৰহ্মনিয়ম। ২০১৩ চনৰ ৬ ফেব্ৰুৱাৰি তাৰিখে এই গোচৰৰ ৰায়দান কৰা হয়। এই ৰায়দানত কোৱা হৈছে যে "Illegal Migrants (Determination by Tribunals) Act, 1983, আইনখনে আৰু ইয়াৰ অধীনত প্ৰস্তুত কৰা নিয়মাৱলীয়ে বেআইনী প্ৰব্ৰজনকাৰীসকলক চিনাক্ত আৰু বহিষ্কাৰ কৰাৰ পথত আটাইতকৈ ডাঙৰ বাধা হিচাপে থিয় দিছে। সংবিধানৰ ৩৫৫ নম্বৰ ধাৰাৰ যোগেদি ইউনিয়ন অব ইণ্ডিয়াৰ ওপৰত দায়িত্ব অৰ্পণ কৰা হৈছে "দেশখনক বহিঃশত্ৰুৰ আগ্ৰাসন আৰু অভ্যন্তৰীণ শান্তি ভংগৰ পৰা ৰক্ষা কৰা।" এই আইনখনে সংবিধানৰ ৩৫৫ নম্বৰ ধাৰা উলংঘা কৰিছে। গতিকে এই আইনখন সম্পূৰ্ণৰূপে অসাংবিধানিক আৰু বাতিল হোৱাৰ যোগ্য।"

বিচাৰপতিসকলে মতামত দিয়ে যে "ইমান বৃহৎ সংখ্যক বহিৰাগতৰ প্ৰব্ৰজনে অকল অসমকেই প্ৰভাৱিত নকৰে; কাৰণ ভাৰতৰ উত্তৰ-পূবৰ সকলো সংযোগী পথ অসমৰ মাজেদিয়েই গৈছে। আইনখনে উত্তৰ-পূব ভাৰতৰ ভাষা, লিপি আৰু সংস্কৃতিকো প্ৰভাৱিত কৰিছে। স্থানীয় অধিবাসীসকল নিজৰ দেশতেই সংখ্যালঘুত পৰিণত হৈছে।"

পৰিশিষ্ট ঃ

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত অধিক শস্য উৎপাদনৰ নামত তেতিয়াৰ অসমৰ প্ৰধানমন্ত্ৰী, চাৰ চাদুল্লাই অসমত নতুন ভূমি-নীতি (Land Settlement Policy) প্ৰৱৰ্তন কৰে। এই নীতি অনুসৰি পূববংগৰ পৰা অহা লোকসকলক অসমৰ চাৰিসীমাৰ ভিতৰত যিকোনো অঞ্চলতেই ত্ৰিছ বিঘা পৰ্যন্ত মাটি দখল কৰিবলৈ অনুমতি দিছিল; উদ্দেশ্য অধিক শস্য উৎপাদন। সেই সময়ত ইংৰাজৰ ৰাজত্ব চলি আছিল সমগ্ৰ ভাৰতীয় উপমহাদেশত। গতিকে এওঁলোকক অবৈধ প্ৰব্ৰজনকাৰী আখ্যা দিয়া উচিত নহয়। এওঁলোক আছিল আইনগতভাৱে ভাৰতীয় নাগৰিক। অসমৰ চৰ-চাপৰিত সৃষ্টি হোৱা সাহিত্য এওঁলোকৰেই অৱদান। এই বিষয়ে প্ৰান্তিকৰ ১-১৫ মে', ২০১৯ সংখ্যাত এটা প্ৰবন্ধত প্ৰকাশ পাইছে;—শিৰোনাম 'খিলঞ্জীয়াৰ অধিকাৰৰ দাবী'।

ঠিকনা ঃ জু-নাৰেংগী পথ, হাতীগড় চাৰিআলি, গুৱাহাটী-৭৮১০২১, ফোন ঃ ৯৪৩৫৫৫৭৩৭৪

১ A History of Assam, Sir Edward Gait, C.S., Page 274